# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-11-2023
**Time :** 0705 hrs

*Assamese Morning Bulletin*
# HEADLINES

১) ভাৰত আৰু অষ্ট্ৰেলিয়াৰ টু-প্লাছ-টু মন্ত্ৰীপৰ্যায়ৰ বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়।

২) নিৰ্বাচন আয়োগে দেশৰ যোগ্য নাগৰিকসকলক বিশেষ সংক্ষিপ্ত সংশোধিত ভোটাৰ তালিকা ২০২৪ত নিজৰ সবিশেষ শুদ্ধভাৱে লিপিবদ্ধ কৰিবলৈ আহ্বান জনাইছে।

৩) কেন্দ্ৰীয় মীন মন্ত্ৰী পৰষোত্তম ৰূপালাই আজি আহমেদাবাদৰ ছায়েন্স ছিটিত ভাৰত আন্তঃৰাষ্ট্ৰীয় মীন সন্মিলন মুকলি কৰিব।

৪) উত্তৰাখণ্ডৰ চিল্কয়াৰা সুৰংগত আৱদ্ধ হৈ থকা শ্ৰমিককেইগৰাকীক সুকলমে উদ্ধাৰ কৰাৰ বাবে অভিযান অব্যাহত আছে।
**আৰু**

৫) অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সমাগত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দলৰ সদস্যসকলৰ নাম ঘোষণা কৰা হৈছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ টু-প্লাছ-টু মন্ত্ৰীপৰ্যায়ৰ বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰিছাৰ্দ মাৰ্লছ্ আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পেনি ৱঙৰ সৈতে বৈঠকখনৰ সহঅধ্যক্ষতা কৰে। বৈঠকত উভয় দেশৰ মাজৰ কেইবাটাও বহুমুখী সম্পৰ্ক সন্দৰ্ভত মন্ত্ৰীকেইগৰাকীয়ে মত বিনিময় কৰে। বৈঠকত প্ৰতিৰক্ষা, নিৰাপত্তা, বাণিজ্য আৰু বিনিয়োগ, খনিজ পদাৰ্থ, শক্তি, জলবায়ু পৰিবৰ্তন, বিজ্ঞান আৰু প্ৰযুক্তি, মহাকাশ, শিক্ষা, জনসংযোগ আদি বিষয় লৈ আলোচনা কৰা হয়। উভয়দেশৰ মন্ত্ৰীকেইগৰাকীয়ে আঞ্চলিক আৰু গোলকীয় বিষয়সমূহৰ সন্দৰ্ভতো বৈঠকত মত বিনিময় কৰে। বৈঠকত ড০ জয়শংকৰে কয় যে ভাৰত আৰু অষ্ট্ৰেলিয়াৰ সম্পৰ্কৰ বাবে এই বছৰটোক ব্যতিক্ৰমী হিচাপে অভিহিত কৰে। দেশ দুখনৰ মাজত যোৱা ডিচেম্বৰ মাহত অৰ্থনৈতিক সহযোগিতা আৰু বাণিজ্য চুক্তি বলবৎ হৈছিল আৰু এই বছৰত ইয়াৰ অৰ্থনৈতিক প্ৰভাৱ দেখিবলৈ পোৱা গৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। পাছত সামাজিক মাধ্যমত লিখা এটা পোষ্টৰ জৰিয়তে ড০ জয়শংকৰে এই মুকলি আৰু ফলপ্ৰসূ আলোচনাত অংশগ্ৰহণ কৰাৰ বাবে অষ্ট্ৰেলিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আৰু বিদেশ মন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ লগতে কয় যে বৈঠকত উভয় দেশৰ মাজত থকা সৰ্বাত্মক কৌশলগত সহযোগিতা সন্দৰ্ভটো আলোচনা কৰা হয়।

০০০০০০

ভাৰতীয় নিৰ্বাচন আয়োগে দেশৰ যোগ্য নাগৰিকসকলক বিশেষ সংক্ষিপ্ত সংশোধিত ভোটাৰ তালিকা ২০২৪ত নিজৰ নাম তথা সবিশেষ শুদ্ধভাৱে লিপিবদ্ধ কৰিবলৈ আহ্বান জনাইছে। এই প্ৰক্ৰিয়া অহা ৯ ডিচেম্বৰলৈ চলিব। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত আয়োগে প্ৰকাশ কৰে যে, এই তালিকাৰ অধীনত নাগৰিকসকলে তেওঁলোকৰ ভোটাৰ পৰিচয়পত্ৰৰ সবিশেষ লিপিবদ্ধ কৰাৰ লগতে সংশোধন কৰিব পাৰিব। তদুপৰি তেওঁলোকে ঠিকনাৰো সাল সলনি কৰিব পাৰিব।

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটাৰ তালিকাৰ সংশোধনী গুৰুত্বপূৰ্ণ হৈ উঠিছে। যুৱ চামৰ অন্তৰ্ভুক্তিৰ ওপৰত বিশেষ গুৰুত্বসহ এখন শুদ্ধ ভোটাৰ তালিকা প্ৰস্তুত কৰাই হৈছে ইয়াৰ উদ্দেশ্য। অহা পহিলা জানুৱাৰীৰ পূৰ্বে ১৮ বছৰ সম্পূৰ্ণ

হবলগীয়া যুৱক-যুৱতীয়ে ভোটাৰ তালিকাত নাম  অন্তৰ্ভুক্ত কৰাৰ বাবে আবেদন জনাব পাৰিব। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে যুৱ ভোটদাতাৰ বাবে এয়া এটা গুৰুত্বপূৰ্ণ সুযোগ হিচাপে বিবেচিত হৈছে। অহা ২৬ ডিচেম্বৰৰ পূৰ্বে আয়োগে ওজৰ আপত্তিসমূহ নিষ্পত্তি কৰিব। চূড়ান্ত ভোটাৰ তালিকা অহা ৫ জানুৱাৰীত প্ৰকাশ পাব। নাগালেণ্ডত অহা ১০ জানুৱাৰীত ভোটাৰ তালিকা প্ৰকাশ পাব। উল্লেখযোগ্য যে, ভাৰতৰ নিৰ্বাচন আয়োগে প্ৰতি বছৰে উপযুক্ত নাগৰিকসকলক ভোটাৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে প্ৰতি ত্ৰিমাসিকত সংক্ষিপ্ত ভোটাৰ তালিকাৰ সংশোধন কৰে।

০০০০

নিৰ্বাচন আয়োগে জনাইছে যে বিধানসভা নিৰ্বাচন চলি থকা পাঁচোখন ৰাজ্যত নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰে পৰা এহেজাৰ ৭৬০ কোটি টকাৰো অধিক নগদ টকা বাজেয়াপ্ত কৰা হৈছে।  ২০১৮ চনত মিজোৰাম, মধ্যপ্ৰদেশ, চত্তিশগড়, ৰাজস্থান আৰু তেলেংগানাত অনুষ্ঠিত বিগত বিধানসভা নিৰ্বাচনৰ সময়ত বাজেয়াপ্ত হোৱা প্ৰায় ২১৫ কোটি টকাৰ তুলনাত এইবাৰৰ বাজেয়াপ্ত ধনৰাশি প্ৰায় ৭ গুণৰো অধিক। এইবাৰৰ ধনৰাশিৰ ভিতৰত তেলেংগানাত সৰ্বাধিক প্ৰায় ৬৫৯ কোটি টকা, ৰাজস্থানত ৬৫০ কোটি টকা, আৰু মধ্যপ্ৰদেশত ৩২৩ কোটি টকা বাজেয়াপ্ত কৰা হৈছে। উল্লেখযোগ্য যে, এইবাৰৰ বাজেয়াপ্ত হোৱা বিপুল পৰিমাণৰ ধনৰাশিয়ে নিৰ্বাচন আয়োগৰ মুক্ত, নিকা আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ দিশত গ্ৰহণ কৰা শক্তিশালী ব্যৱস্থাসমূহকে প্ৰতিপন্ন কৰে।

০০০০

ৰাজস্থান আৰু তেলেংগানাৰ সমাগত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ভোটদাতাৰ মন জয় কৰাৰ আপ্ৰাণ প্ৰয়াস অব্যাহত ৰাখিছে। দলসমূহৰ তাৰকাপ্ৰচাৰক সকলে বিভিন্ন পদ্ধতিৰে ভোটদাতাৰ কাষ চপাৰ অবিৰত প্ৰয়াস চলাই আছে।

বিজেপিৰ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজস্থানৰ পালী আৰু পিলিবাঙাত দুখন জনসভা সম্বোধন কৰে। একেদৰে দলটোৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডায়ো ৰাজ্যখনৰ ভালেকেইখন ঠাইত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই শ্ৰীগংগানগৰ আৰু হনুমানগড়ত অনুষ্ঠিত প্ৰচাৰ সভাত ভাগ লয়। ৰাজ্যখনৰ ১৯৯ খন আসনৰ বাবে অহা ২৫ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

ইপিনে তেলেংগানাটো আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ৰাষ্ট্ৰীয় আৰু আঞ্চলিক ৰাজনৈতিক দলসমূহে ভোট দাতাৰ মন জয় কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাজ্যখনৰ ১১৯খন আসনৰ বাবে অহা ৩০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০

কেন্দ্ৰীয় মীন মন্ত্ৰী পৰষোত্তম ৰূপালাই আজি গুজৰাটৰ আহমেদাবাদৰ ছায়েন্স ছিটিত চলিত বৰ্ষৰ ভাৰত আন্তঃৰাষ্ট্ৰীয় মীন সন্মিলন মুকলি কৰিব। উদ্বোধনী অনুষ্ঠানত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেল, মীন ৰাজ্য মন্ত্ৰীদ্বয় ড০ এল মুৰুগন আৰু ড০ সঞ্জীৱ কুমাৰ বালিয়ান, প্ৰায় দহখন দেশৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি বৰ্গ, আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ প্ৰতিনিধি তথা বিভিন্ন মীন সংস্থাই যোগদান কৰিব।

দুদিনীয়া এই সন্মিলনখনে মীন ক্ষেত্ৰখনৰ সৈতে জড়িত বিভিন্ন সংস্থা তথা লোকক একেখন মঞ্চত মত বিনিময় কৰাৰ সুযোগ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। সন্মিলনৰ সময়ত হ'বলগা আলোচনা সমূহত পাঁচ সহস্ৰাধিক অংশগ্ৰহণকাৰীয়ে ভাগ ল'ব। সন্মিলনৰ সময়ছোৱাত কেন্দ্ৰীয় মীন মন্ত্ৰীগৰাকীয়ে ফ্ৰান্স, নৰৱে, অষ্ট্ৰেলিয়া, ৰাছিয়া তথা বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সংস্থাৰ প্ৰতিনিধি বৰ্গৰ সৈতে ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰিব। সন্মিলনত অৰুণাচল প্ৰদেশ, হাৰিয়ানা, উত্তৰপ্ৰদেশ, হিমাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, ত্ৰিপুৰা, অন্ধ্ৰপ্ৰদেশ আদি ৰাজ্যৰ মীন মন্ত্ৰীসকলেও ভাগ ল'ব।

০০০০

বিদেশ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী ভি মূৰলীধৰণে কালি টাঞ্জানিয়াৰ চৰকাৰী ভ্ৰমণ সূচীৰে জাঞ্জীবাৰত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়ে জাঞ্জীবাৰত থকা ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান মাদ্ৰাজৰ চৌহদত উপস্থিত হয় আৰু তাত থকা অধ্যাপক থকা শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। এই প্ৰতিষ্ঠানটোৱে যুৱমনক বিকশিত কৰাৰ কেন্দ্ৰৰূপে কাম কৰাৰ লগতে প্ৰযুক্তিবিদ্যাৰ সৈতে জড়িত আৱিষ্কাৰ তথা আঞ্চলিক উন্নয়ন ত্বৰান্বিত কৰিব বুলি মন্ত্ৰীগৰাকীয়ে আস্থা প্ৰকাশ কৰে।

ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে টাঞ্জানিয়াৰ ৰাষ্ট্ৰপতি হুছেইন আলী মিৱনীৰ লগতে ভালেকেইগৰাকী মন্ত্ৰীৰ সৈতে মত বিনিময় কৰাৰ কথা আছে। তেওঁ লগতে দেশখনৰ আগশাৰীৰ নেতাসকলৰ সৈতে  ডাৰ-এছ্-ছালামত দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ভ্ৰমণৰত ভাৰতীয় মন্ত্ৰীগৰাকীয়ে টাঞ্জানিয়াৰ বিদেশ পৰিক্ৰমা ৰাজ্যমন্ত্ৰীৰ সৈতে বাণিজ্য বিষয়ক বৈঠকত অধ্যক্ষতা কৰিব। ভাৰতৰ সৈতে টাঞ্জানিয়াৰ দ্বিপাক্ষিক বাণিজ্য তথা বিনিয়োগৰ পৰিমাণ বৃদ্ধি কৰাই এই বৈঠকৰ মূল উদ্দেশ্য। মন্ত্ৰীগৰাকীয়ে লগতে ডাৰ-এছ্-ছালামত দেশখনত থকা প্ৰৱাসী ভাৰতীয়সকলকো সাক্ষাৎ কৰিব।

০০০০

উত্তৰাখণ্ডৰ উত্তৰকাশী জিলাৰ চিল্কয়াৰা সুৰংগত আৱদ্ধ হৈ থকা ৪১ গৰাকী শ্ৰমিকক সুকলমে উদ্ধাৰ কৰাৰ বাবে অভিযান অব্যাহত আছে। কেন্দ্ৰীয় চৰকাৰে এই সুৰংগত আৱদ্ধ হৈ থকা শ্ৰমিক সকলক উদ্ধাৰ কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এডাল চাৰি ইঞ্চিৰ পাইপৰ জৰিয়তে আৱদ্ধ হৈ থকা শ্ৰমিকসকলৰ বাবে  খাদ্য সামগ্ৰী তথা ঔষধ নিয়মীয়া ভাৱে যোগান ধৰি থকা হৈছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি ৰেল বিকাশ নিগম লিমিটেডেও অত্যাৱশ্যকীয় সামগ্ৰী যোগানৰ বাবে অন্য এডাল পাইপৰ কাম ক্ষিপ্ৰতাৰে কৰি আছে।

০০০০

ভাৰতীয় নৌসেনাবাহিনীৰ পশ্চিম কামাণ্ডে বাহিনীয়ে আয়োজন কৰা চলিত বৰ্ষৰ বাৰ্ষিক বন্দুক চালনা প্ৰতিযোগিতাত বিজয় অৰ্জন কৰিছে। এটা চৰকাৰী বিবৃতি অনুসৰি ভাৰতীয় নৌসেনাবাহিনীৰ  লোনাৱালাত থকা শিৱাজী জাহাজত যোৱা সপ্তাহত চাৰিদিন ধৰি এই প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাত বাহিনীৰ প্ৰতিটো কামাণ্ডৰ পৰা এটাকৈ দলে যোগদান কৰিছিল। প্ৰতিযোগিতাত পশ্চিম নৌ কামাণ্ডে দ্বিতীয় স্থান লাভ কৰে।

০০০০

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সমাগত টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাত সূৰ্যকুমাৰ যাদৱে ভাৰতীয় দলৰ নেতৃত্বৰ ভাৰ বহন কৰিব। শৃংখলাৰ প্ৰথমখন খেল বিশাখাপট্টনমত পৰহি খেলোৱা হ'ব। পাঁচখনীয়া এই শৃংখলাৰ প্ৰথম তিনিখন খেলত ঋতুৰাজ গাইকোৱাড়ক দলৰ সহ অধিনায়কৰ দায়িত্ব অৰ্পণ কৰা হৈছে। শৃংখলাৰ বাকী দুখন খেলত শ্ৰেয়ছ আয়াৰে সহ অধিনায়কৰ দায়িত্ব পালন কৰিব। সদ্যসমাপ্ত আই চি চি এদিনীয়া বিশ্বকাপ প্ৰতিযোগিতাৰ পাছত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে কৰা ঘোষণা অনুসৰি ৰোহিত শৰ্মা, বিৰাট কোহলী, মহম্মদ ছামী, যশপ্ৰিত বুমৰাহৰ লেখীয়া দলৰ জ্যেষ্ঠ খেলুৱৈসকলক অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আসন্ন শৃংখলাটোত বিশ্ৰাম দিয়া হৈছে।

শৃংখলাৰ বাবে ঘোষিত পোন্ধৰজনীয়া দলটোৰ সদস্যসকল হ'ল – সূৰ্যকুমাৰ যাদৱ, ঋতুৰাজ গাইকোৱাড়, ঈশান কিষণ, যশস্বী জয়ছোৱাল, তিলক বাৰ্মা, ৰিংকু সিং, জিতেশ শৰ্মা, ৱাশ্বিংটন সুন্দৰ, অক্ষৰ পেটেল, শিৱম ডুবে, ৰবি বিষ্ণই, অৰ্শদ্বীপ সিং, প্ৰসিধ কৃষ্ণা, আৱেশ খান আৰু মুকেশ কুমাৰ।

০০০০

**ঃ সমাপ্ত ঃ**